জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৭৮/২০২২**

# চাবুৱাৰ বিন্ধাকটা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপন সমাৰোহত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## এতিয়া ৰাজ্যত বৌদ্ধিক বিপ্লৱ আৰু শৈক্ষিক আন্দোলন সূচনা কৰাৰ সময় আহি পৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৪ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চাবুৱাৰ বিন্ধাকটা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপন সমাৰোহত অংশগ্ৰহণ কৰাৰ লগতে প্ৰায় ৩ কোটি টকা ব্যয়ৰে নিৰ্মিত শিক্ষানুষ্ঠানখনৰ পৰিৱৰ্দ্ধিত আন্তঃগাঁথনি আৰু বিদ্যালয় চৌহদত নিৰ্মিত ৩.৫ কিলো ভল্ট এম্পিয়াৰযুক্ত গ্ৰীডবিহীন সৌৰশক্তি কেন্দ্ৰটো উদ্বোধনৰ উপৰি প্ৰায় ৯০ লাখ টকা ব্যয় সাপেক্ষ আদৰণি তোৰণ, পদপথ, পকী নৰ্দমা আদি নিৰ্মাণৰ শিলান্যাসো কৰে।

সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ১৯৫৭ চনত প্ৰতিষ্ঠা লাভ কৰা বিদ্যালয়খনে বৃহত্তৰ বিন্ধাকটা অঞ্চলত শিক্ষাৰ জ্যোতি বিয়পোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে লগতে জ্ঞান আৰু প্ৰজ্ঞাৰ মন্দিৰ হিচাপে এই শিক্ষানুষ্ঠানখন সদায়ে জিলিকি থাকিব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা ৫ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা 'বিকাশৰ বাবে এটা পযেক' কাৰ্যসূচীৰ অধীনত অসমে বিকাশৰ ক্ষেত্ৰত এক নতুন বুৰঞ্জী লিখিবলৈ সক্ষম হৈছে। কেন্দ্ৰীয় চৰকাৰ আৰু অসমৰ জনসাধাৰণৰ সহযোগিতাৰ বাবে ইমান বৃহৎ পৰিসৰত উন্নয়নৰ গতি আৰম্ভ কৰিব পৰা গৈছে বুলিও মন্তব্য কৰি তেওঁ কয় যে আজি অসমৰ চৌপাশে উন্নয়ন যি ধাৰা সূচনা হৈছে তাৰ বাবে কোনেও আন্দোলন কৰিবলগীয়া হোৱা নাই। মুখ্যমন্ত্ৰীয়ে কয় যে আন্দোলন বিবৰ্জিত পৰিৱেশত উন্নয়ন গতি অধিক ক্ষিপ্ৰ হৈ পৰে। জনসাধাৰণক নতুন চিন্তা-চৰ্চাই যেতিয়া প্ৰভাৱিত কৰে, তেতিয়াই সমাজত পৰিৱৰ্তনৰ সূচনা হয় বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে কৰ্ণাটক, মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশৰ লেখীয়া ৰাজ্যৰ শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে কৃত্ৰিম বুদ্ধিমত্ত্বা, অগমেণ্টেড ৰিয়েলিটি আদিৰ দৰে বিষয়ৰ জ্ঞান লাভ কৰিব ধৰিছে। তেনে আদৰ্শৰে অসমৰ ছাত্ৰ-ছাত্ৰীসকলেও আধুনিক প্ৰযুক্তিৰ জ্ঞান লাভেৰে আগুৱাই যাব লাগিব। অসমৰ ছাত্ৰ-ছাত্ৰীৰ মাজত নৱ জাগৰণ হ'ব লাগিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এতিয়া ৰাজ্যত বৌদ্ধিক বিপ্লৱ আৰু শৈক্ষিক আন্দোলন সূচনা কৰাৰ সময় আহি পৰিছে। এই শৈক্ষিক আন্দোলন অসমৰ গাঁৱৰ পৰা পুনৰ আৰম্ভ হ'ব পাৰে বুলি তেওঁ বিশ্বাস কৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মেধাক চিনাক্ত কৰা আৰু আগুৱাই নিয়াৰ বাবে সমাজে দায়িত্ব ল'ব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলক শিক্ষক আৰু অভিভাৱকসকলে সমন্বিত প্ৰয়াসেৰে এগৰাকী উপযুক্ত মানৱ সম্পদ হিচাপে গঢ়ি তুলিব লাগিব। বৰ্তমানৰ যুৱ প্ৰজন্মক অমৃতকালৰ অমৃত সন্তান হিচাপে অভিহিত কৰি

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে কয় যে অহা ২৫ বছৰত ৰাষ্ট্ৰক আগুৱাই নিয়াৰ দিশত বিদ্যাৰ্থী সমাজে প্ৰধান ভূমিকা গ্ৰহণ কৰিব লাগিব। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে কয় যে বিন্ধাকটাত জীৱ-জন্তুৰ পুনৰ সংস্থাপন কেন্দ্ৰ এটা নিৰ্মাণ কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ তথা আয়ুষ মন্ত্ৰণালয়ৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, সাংসদ প্ৰদান বৰুৱা, বিধায়কসকল ক্ৰমে বিনোদ হাজৰিকা, প্ৰশান্ত ফুকন, পোনাকণ বৰুৱা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, অসম পেট্ৰ'কেমিকেলছ লিমিটেডৰ অধ্যক্ষ বিকুল ডেকাৰ লগতে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**২৪/১২/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in